**বীৰ লাচিত বৰফুকনৰ**
**৪০০ সংখ্যক জন্ম জয়ন্তী উদ্‌যাপন**
**হাজী আনফৰ আলী কলেজ**
ডবকা, হোজাই, অসম

**জাননী** **দিনাংকঃ ১২।১১।২০২২**

ইয়াৰ দ্বাৰা হাজী আনফৰ আলী কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দক জনোৱা যায় যে অহা ১৯ নৱেম্বৰ ২০২২ তাৰিখৰ পৰা ২৪ নৱেম্বৰ ২০২২ তাৰিখলৈ হাজী আনফৰ আলী কলেজত বৰ্ণাঢ্য কাৰ্যসূচীৰে বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম জয়ন্তী উদ্‌যাপন কৰা হ'ব।

তদুপলক্ষে অনুষ্ঠিতব্য প্ৰতিটো কাৰ্যসূচী সফল কৰি তুলিবলৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা সমন্বিতে সংশ্লিষ্ট সদৌটিৰ উপস্থিতি আৰু সক্ৰিয় সহযোগ কামনা কৰিলোঁ।

**কাৰ্যসূচী**

- **১৯ নৱেম্বৰ ২০২২** : ৰচনা প্ৰতিযোগিতা
  বিষয়ঃ লাচিত বৰফুকনৰ জীৱন আৰু অসমলৈ অৱদান
- **২০ নৱেম্বৰ ২০২২** (পুৱা ১১ বজাত) : বৃক্ষৰোপণ
  মুখ্য বৃক্ষৰোপকঃ ড০ মামুন আজম বৰভূইয়া, অধ্যক্ষ, হাজী আনফৰ আলী কলেজ, ডবকা
- **২১ নৱেম্বৰ ২০২২** (পুৱা ১০-৩০ বজাত) : চিত্ৰাংকন প্ৰতিযোগিতা
  বিষয়বস্তুঃ স্বদেশপ্ৰেম আৰু জাতীয়তাবোধ
  পৰিচালনাঃ ড০ কবিতা দেৱী, সদস্যা, আনুষ্ঠানিক আৰু সামাজিক দায়বদ্ধতা কোষ, হাজী আনফৰ আলী কলেজ
- **২২ নৱেম্বৰ ২০২২** (পুৱা ১১ বজাত) : তৰ্ক প্ৰতিযোগিতা
  বিষয়ঃ 'সদনৰ মতে, অসমৰ বৌদ্ধিক সমাজত আজিও লাচিত বৰফুকনৰ প্ৰকৃত মূল্যায়ন হোৱা নাই।'
- **২৩ নৱেম্বৰ ২০২২** (পুৱা ১০-৩০ বজাত) : আকস্মিক বক্তৃতা প্ৰতিযোগিতা
  পৰিচালনাঃ অধ্যাপক আতাউৰ ৰহমান, সদস্য, আনুষ্ঠানিক আৰু সামাজিক দায়বদ্ধতা কোষ, হাজী আনফৰ আলী কলেজ
- **২৪ নৱেম্বৰ ২০২২** (পুৱা ১১ বজাত) : বীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠান আৰু বঁটা বিতৰণী সভা

**বিশেষ দ্ৰষ্টব্যঃ**

- প্ৰতিযোগী ছাত্ৰ-ছাত্ৰীসকলে 'লাচিত বৰফুকনৰ জীৱন আৰু অসমলৈ অৱদান' শীৰ্ষক ৰচনা জিলা প্ৰশাসনে যোগান ধৰা উত্তৰকাকতত‌হে লিখিব লাগিব। কাকতসমূহ মহাবিদ্যালয়ৰ 'আনুষ্ঠানিক আৰু সামাজিক দায়বদ্ধতা কোষ'ৰ আহ্বায়ক ড০ হাছিনুচ চুলতানৰ পৰা সংগ্ৰহ কৰিবলৈ জনোৱা হ'ল। উত্তৰবহী জমা দিয়াৰ শেষ তাৰিখ ১৯ নৱেম্বৰ ২০২২ ।
- চিত্ৰাংকন প্ৰতিযোগিতাৰ বাবে ৰং, তুলিকা আদি সামগ্ৰী প্ৰতিযোগীসকলে নিজে লৈ আহিব লাগিব।
- প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ক্লাছ ৰোল নম্বৰ আৰু ষান্মাসিক উল্লেখ কৰি নামবোৰ মহাবিদ্যালয়ৰ 'আনুষ্ঠানিক আৰু সামাজিক দায়বদ্ধতা কোষ'ৰ আহ্বায়ক ড০ হাছিনুচ চুলতানৰ হাতত জমা দিবলৈ জনোৱা হ'ল।

ড০ হাছিনুচ চুলতান
আহ্বায়ক, আনুষ্ঠানিক আৰু সামাজিক দায়বদ্ধতা কোষ
হাজী আনফৰ আলী কলেজ, ডবকা